**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-SEP-2025 **Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। ২০২৬ চনৰ ব'হাগ বিহুৰ পূৰ্বে ৰাজ্যৰ উচ্চতৰ মাধ্যমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহত স্মাৰ্ট ক্লাছ আৰম্ভ হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ঘোষণা।

২। বিটিচি নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন।

৩। অসম বীজ নিগমত সংঘটিত ৪ কোটি টকীয়া বিত্তীয় অনিয়ম সন্দৰ্ভত চিআইডিৰ তদন্ত আৰম্ভ।

৪। ৰাজ্য চৰকাৰৰ মাতৃ-পিতৃ বন্দনা আঁচনিৰ অধীনত ১৪ আৰু ১৫ নৱেম্বৰত বিশেষ নৈমিত্তিক ছুটী মঞ্জুৰ।

**আৰু**

৫। এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত আজি ভাৰত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ।

0000000

২০২৬ চনৰ ব'হাগ বিহুৰ পূৰ্বে ৰাজ্যৰ উচ্চতৰ মাধ্যমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহত স্মাৰ্ট ক্লাছ আৰম্ভ হ'ব। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলে কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তিৰে অধ্যয়নৰ সুবিধা লাভ কৰিব। তেজপুৰ বিশ্ববিদ্যালয়ত কালি শিক্ষক দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত অংশগ্ৰহণৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰী বিদ্যালয়সমূহত ব্যক্তিগত বিদ্যালয়তকৈ আধুনিক সা-সুবিধা অধিক থাকিব। বিদ্যালয়ত ঐচ্ছিক বিষয়ৰ বাবে শিক্ষকৰ প্ৰয়োজন সন্দৰ্ভত ডাঃ পেগুৱে কয়, যে কলাৰ দৰে বিষয়সমূহ যিকোনো এটা অঞ্চলত থকা স্বীকৃতিপ্ৰাপ্ত সংগীত বিদ্যালয়ত ঐচ্ছিক বিষয় হিচাপে ল'ব পৰা যাব। আনুষ্ঠানিক শিক্ষাৰ বিদ্যালয়ৰ সৈতে এনে সংগীত বিদ্যালয়ৰ বুজাবুজি চুক্তি থাকিব আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ঐচ্ছিক বিষয়ৰ নম্বৰ এনে সংগীত বিদ্যালয়ে প্ৰদান কৰিব। ছাত্ৰ-ছাত্ৰীসকলে ফুটবল খেলকো ঐচ্ছিক বিষয় হিচাপে ল'ব পাৰিব বুলি উল্লেখ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ বাবে চৰকাৰে ইতিমধ্যে অসম ফুটবল সন্থাৰ সৈতে আলোচনা কৰিছে। ৰাজ্যৰ ঠায়ে ঠায়ে থকা ফুটবল একাডেমীসমূহত শিক্ষাৰ্থীসকলে ফুটবলৰ পাঠ্যক্ৰম গ্ৰহণৰ সুযোগ লাভ কৰিব পাৰিব বুলি তেওঁ উল্লেখ কৰে।

এই অনুষ্ঠানতে কালি শিক্ষামন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ ১৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক কৃতী শিক্ষক বঁটাৰে সন্মানিত কৰে। তেওঁ লগতে ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যায়ন পৰিষদ, NAAC-ৰ মূল্যায়ণত এ-গ্ৰেড লাভ কৰা ছখন মহাবিদ্যালয়, শিক্ষাসেতু এপত সৰ্বাধিক উপস্থিতি থকা ৩ খন জিলাকে ধৰি শৈক্ষিক দিশত বিভিন্ন ক্ষেত্ৰত সফলতা লাভ কৰা কেইবাগৰাকী ব্যক্তি তথা প্ৰতিষ্ঠানক সম্বৰ্ধনা জনায়।

0000000

বিটিচি নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। বৰ্তমানলৈকে নিৰ্বাচনৰ বাবে ৪০টা সমষ্টিৰ ৩৮২ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ হিচাপে বিবেচিত হৈছে।

ৰাজ্য চৰকাৰে বিটিচি নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিটিচিৰ অন্তৰ্গত পাঁচখন জিলা- কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওডালগুৰি জিলাত অহা ২২ ছেপ্তেম্বৰৰ দিনটো নেগ'চিয়েবল ইনষ্টুমেণ্টচ এক্টৰ অধীনত বন্ধৰ দিন হিচাপে ঘোষণা কৰিছে।

ইপিনে এই নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। বিটিআৰৰ অন্তৰ্গত জিলাকেইখনত ৰাজনৈতিক দলসমূহে সভা, সমদলৰ জৰিয়তে ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। মন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা ৰঞ্জিত কুমাৰ দাসে কালি বাক্সা জিলাৰ ভোটেপোৰাবৰীৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ এখন বৈঠকত অংশ লয়। বিজেপি প্ৰাৰ্থী ৰমেন মদাহীৰ হৈ প্ৰচাৰ চলাই তেওঁ গোট সমিতিৰ কৰ্মী সকলৰ সৈতে মত বিনিময় কৰে। মন্ত্ৰী তথা জেষ্ঠ্য বিজেপি নেতা পীযূষ হাজৰিকাই ওডালগুৰি জিলাত বিটিআৰ নিৰ্বাচনৰ এখন প্ৰস্তুতিমূলক সভাত অংশ লয়। এই কাৰ্যসূচীত ওডালগুৰি জিলাৰ বিজেপিৰ এটা অস্থায়ী কাৰ্যালয় মুকলি কৰা হয়। বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য তথা ইউ পি পি এলৰ নেতা প্ৰমোদ বড়োৱে কালি গয়বাৰী সমষ্টিত প্ৰচাৰ চলায়।

বিটিচি নিৰ্বাচনত বিজেপিয়ে ৩০ খন আসন জয়ৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই প্ৰকাশ কৰিছে। এইবাৰ বিজেপিয়ে পৰিষদীয় নিৰ্বাচনত ৩০টা সমষ্টিত প্ৰাৰ্থী দিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে এই নিৰ্বাচনত দলটোৱে চৰকাৰ গঠনৰ লক্ষ্যৰে আগবাঢ়িছে।

০০০০০০০

অসম আৰক্ষীৰ চি আই ডিয়ে ৰাজ্য চৰকাৰৰ কৃষি বিভাগৰ অধীনৰ অন্যতম অসম বীজ নিগমত সংঘটিত ৪ কোটি টকীয়া বিত্তীয় অনিয়ম সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। ২০১৭চনত মটৰ মাহ বিতৰণক লৈ এই অনিয়ম সংঘটিত হৈছিল। কোভিডজনিত মহামাৰীৰ বাবে গোচৰটোৰ তদন্ত প্ৰক্ৰিয়া লেহেমীয়া হৈছিল যদিও চি আই ডিয়ে পুনৰ তদন্ত আৰম্ভ কৰিছে। আৰক্ষী সূত্ৰই সদৰি কৰা মতে তদন্ত প্ৰক্ৰিয়াৰ অংশ হিচাপে কালি নিগমত কৰ্মৰত ৩জন বিষয়া-কৰ্মচাৰী ক্ৰমে আল্পনা বড়ো, প্ৰিয়ংকা হাজৰিকা, দেৱাশীষ সেনগুপ্তাক চি আই ডিয়ে তলব কৰিছে। কালি এই তিনিওজন বিষয়াক কেইবাটাও দলে পৃথকে পৃথকে জেৰা চলায়। আজি নিগমটোত কৰ্মৰত ললিতা দাস আৰু নৱনীতা শইকীয়া নামৰ কৰ্মচাৰী দুজনক চি আই ডিয়ে তলব কৰিছে। কাইলৈ নিগমটোৰ মহাপ্ৰবন্ধক ড০ নন্দী ৰায়ক তলব কৰিব। সূত্ৰটোৱে সদৰি কৰা মতে ২০১৭ চনত অসম চৰকাৰৰ অধীনস্থ অসম বীজ নিগমে কৃষকৰ মাজত মটৰ মাহৰ সঁচ বিতৰণৰ বাবে নিবিদাৰ আহ্বান কৰিছিল। এই নিবিদাৰ মূল্য আছিল ৪ কোটি টকা। কিন্তু নিবিদা অনুসৰি কৃষকক মটৰ মাহৰ সঁচ বিতৰণৰ সলনি একাংশ বিষয়া-কৰ্মচাৰীয়ে ধুবুৰীৰ ধনৰাজ এণ্টাৰপ্ৰাইজ নামৰ ফাৰ্মখনৰ স্বত্বাধিকাৰী অজয় ম'ৰৰ সৈতে মিলি ভুৱা নথিপত্ৰৰে নিবিদাৰ সমুদায় ধন আত্মসাৎ কৰাৰ অভিযোগ উত্থাপিত হৈছিল। বহু ভুক্তভোগীয়ে আৰক্ষীক দিয়া গোচৰৰ ভিত্তিত চি আই ডিয়ে পুনৰ তদন্ত আৰম্ভ কৰিছে।

০০০০০০০

জি এছ্ টি পৰিষদে অহা ২২ ছেপ্তেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ সামগ্ৰী আৰু সেৱা কৰ বৰ্তমানৰ ৪ টা স্তৰৰ পৰা ২ টালৈ হ্ৰাস কৰাৰ সিদ্ধান্তক সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে আদৰণি জনাইছে। এই সিদ্ধান্তৰ ফলত দেশৰ বজাৰৰ ১৭৫ বিধ সামগ্ৰীৰ ওপৰত থকা কৰৰ পৰিমাণ হ্ৰাস পাব। জি এছ্ টি পৰিষদৰ সিদ্ধান্ত সন্দৰ্ভত গুৱাহাটীৰ এগৰাকী সচেতন নাগৰিকে এইদৰে কয়-

-বাইট-

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত জি এছ্ টি হ্ৰাস সম্পৰ্কে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মতামত প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। নামনি অসমৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ মেগা হাৰ্টজত আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ পৰা, ১০৩ দশমিক ৩ মেগা হাৰ্টজত আকাশবাণী ধুবুৰী কেন্দ্ৰৰ পৰা, ১০২ দশমিক ৬ মেগা হাৰ্টজত গোৱালপাৰা ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

ৰাজ্য চৰকাৰৰ মাতৃ-পিতৃ বন্দনা আঁচনিৰ অধীনত ৰাজ্যিক কৰ্মচাৰীসকলৰ বাবে বিশেষ নৈমিত্তিক ছুটী মঞ্জুৰ কৰা হৈছে। এই সন্দৰ্ভত  সাধাৰণ প্ৰশাসন বিভাগে জাৰি কৰা নিৰ্দেশ অনুসৰি অহা ১৪ আৰু ১৫ নৱেম্বৰত কৰ্মচাৰীসকলে এই বিশেষ নৈমিত্তিক ছুটী লাভ কৰিব। কৰ্মচাৰীসকলে ১৬ নৱেম্বৰ অৰ্থাৎ দেওবাৰৰ দিনটোও মাতৃ-পিতৃ বন্দনাৰ বাবে ব্যৱহাৰ কৰিব পাৰিব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০০০০

বিশ্ববন্দিত শিল্পী ড০ ভূপেন হাজৰিকাৰ বছৰজোৱা জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই কালি বিভাগটোৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত ৰাজ্যৰ ভিন ভিন ঠাইৰ পৰা ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰিবলৈ গুৱাহাটীলৈ আহিবলগীয়া শিল্পী তথা অতিথিসকলৰ আপ্যায়নকে ধৰি বিভিন্ন বিষয়ত আলোচনা কৰা হয়। এই অনুষ্ঠান সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে বৈঠকত লোকনিৰ্মাণ বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, অসম বিদ্যুৎ বিতৰণ কোম্পানী লিমিটেডকে ধৰি অন্যান্য বিভাগসমূহৰ কাম-কাজৰো পৰ্যালোচনা কৰা হয়।

উল্লেখযোগ্য যে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠানত ৰাজ্যৰ এহেজাৰ শিল্পীয়ে তেওঁৰ ১৪টা গীত আৰু কবিতা পৰিৱেশন কৰিব। এই অনুষ্ঠানতে শিল্পীগৰাকীৰ এটি স্মাৰক মুদ্ৰা আৰু এখন জীৱনী গ্ৰন্থও উন্মোচন কৰা হ'ব। এই উপলক্ষে অহা ১৩ ছেপ্তেম্বৰত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান

মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থাকিব। পৰৱৰ্তী সময়ত কলকাতা, মুম্বাই, নতুন দিল্লী আৰু অৰুণাচল প্ৰদেশকে ধৰি দেশৰ ভিন ভিন স্থানত ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠান আয়োজন কৰা হ'ব। খানাপাৰাৰ অনুষ্ঠান উপভোগ কৰিবলৈ আগ্ৰহী লোকৰ বাবে ৰাজ্য চৰকাৰে এটা প'ৰ্টেল মুকলি কৰা হৈছে। ৮ ছেপ্তেম্বৰৰ নিশা ১২ বজাৰ ভিতৰত আগ্ৰহীসকলে এই প'ৰ্টেলত নিজৰ সবিশেষ দাখিল কৰি নাম পঞ্জীয়ন কৰিব পাৰিব।

০০০০০০০

মানকাচৰৰ হাটশিঙিমাৰীত কালি জিলাখনৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্ত উন্নয়নৰ বাৰ্তা লৈ জিলাখনত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ত বিভিন্ন বিভাগৰ মুৰব্বী-বিষয়া আৰু জিলা প্ৰশাসনৰ সৈতে পৰ্যালোচনা বৈঠকত ভাগ লয়। জিলাখনত শীঘ্ৰে হাটশিঙিমাৰী-মানকাচৰ ৰাস্তাৰ কাম আৰম্ভ হোৱাৰ কথা মন্ত্ৰীগৰাকীয়ে অৱগত কৰে। তেওঁ জিলাখনৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়েও উল্লেখ কৰে।

**-বাইট-**

০০০০০০০

বিহাৰৰ ৰাজগিৰত অনুষ্ঠিত এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত আজি ভাৰত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৰাজগিৰ আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত খেলখন আৰম্ভ হ'ব। ভাৰত ইয়াৰ পূৰ্বে এখন খেলত জয়ী আৰু এখন খেলত ড্ৰ' হৈ ৪ পইণ্টেৰে ছুপাৰ ফ'ৰ পৰ্যায়ৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে। ভাৰতীয় দলটো সমগ্ৰ প্ৰতিযোগিতাখনত অপ্ৰতিৰোধ্য হৈ আহিছে আৰু এইবাৰৰ এছিয়া কাপত শক্তিশালী দল হিচাপে বিবেচিত হৈছে। যোৱা বৃহস্পতিবাৰে ভাৰতে মালয়েছিয়াক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আজি হ'বলগীয়া ছুপাৰ ফ'ৰ পৰ্যায়ৰ আন এখন খেলত বিয়লি ৫ বজাত কোৰিয়া আৰু মালয়েছিয়া মুখামুখি হ'ব।

০০০০০০০

গোৰৰ্ধন স্পৰ্টছ ক্লাবৰ উদ্যোগত চলি থকা গহীন চন্দ্ৰ ৰাভা সোঁৱৰণি ফুটবল প্ৰতিযোগিতাত ছয়গাঁও এফ চি ফাইনেলত প্ৰৱেশ কৰিছে। কাইলৈ প্ৰতিযোগিতাৰ ফাইনেলত ছয়গাওঁ এফ চি-শ্বিলং লাজং এফ চিৰ মুখামুখি হ'ব। কালি ছয়গাওঁ থানাৰ অন্তৰ্গত গোৰৰ্ধন মেডিকেল খেলপথাৰত অনুষ্ঠিত হোৱা দ্বিতীয়খন ছেমিফাইনেল অসম ৰাজ্যিক প্ৰিমিয়াৰ লীগ চেম্পিয়ন ছয়গাওঁ এফ চিয়ে অসম পুলিচ ফুটবল দলক ৬-১ গ'লত পৰাস্ত কৰে।

০০০০০০০

শ্ৰীভূমি আৰক্ষীয়ে মাদক দ্ৰব্য বিৰোধী অভিযান চলাই কালি ৭০ হাজাৰ য়াবা টেবলেট জব্দ কৰে। জব্দ কৰা টেবলেটখিনিৰ বজাৰ মূল্য ১০ কোটি টকাৰো অধিক বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। এই সংক্ৰান্তত আৰক্ষীয়ে এজন লোকক আটক কৰিছে।

০০০০০০০

শিক্ষক দিৱসৰ দিনটোতে ৰাজ্যৰ টিউটৰ হিচাপে নিযুক্তি পোৱা  শিক্ষকসকলে ন্যায্য প্ৰাপ্যৰ দাবীত মহানগৰীৰ লতাশিল খেলপথাৰত প্ৰতিবাদ সাব্যস্ত কৰাৰ বাতৰি **অসমীয়া প্ৰতিদিন কাকতে** আলোকচিত্ৰসহ প্ৰথন পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিৰে **দৈনিক জনমভূমি** কাকতৰ শিৰোনাম- শিক্ষক দিৱসত শিক্ষকৰ গৰ্জন।

শিক্ষক দিৱস উপলক্ষে ৰাজ্যৰ শিক্ষক দেৱজিত ঘোষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ পৰা ৰাষ্ট্ৰীয় শিক্ষক বঁটা ২০২৫ গ্ৰহণ কৰাৰ বাতৰি **দ্য চেন্টিনেল কাকতে** আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

কাইলৈ নিশা ১১ বজাৰ পৰা দুদিনৰ বাবে বিস্তৃত পূৰ্ণগ্ৰাস   চন্দ্ৰগ্ৰহণৰ সাক্ষী হ'ব বিশ্ববাসী। এই বিৰল মহাজাগতিক ঘটনাত ৮২ মিনিট দৃশ্যমান হ'ব ৰঙা জোন। এয়া **দৈনিক অগ্ৰদূত** কাকতৰ প্ৰথম পৃষ্ঠাৰ বাতৰি।

**দি টাইমছ অব ইণ্ডিয়া** কাকতে ভাৰত আৰু ৰাছিয়াক চীনৰ সুগভীৰ আন্ধাৰত হেৰুৱালো বুলি মাৰ্কিন ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে কৰা মন্তব্যক প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

মুম্বাইত মানৱ বোমাৰ বিস্ফোৰণেৰে তেজৰ নৈ বোৱাব বুলি সন্ত্ৰাসবাদীয়ে ৰচনা কৰা ষড়যন্ত্ৰৰ ভাবুকি সম্বলিত ৱাটচআপ মেছেজক কেন্দ্ৰ কৰি সৃষ্টি হোৱা হাহাকাৰ পৰিস্থিতিৰ বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিৰে **নিয়মীয়া বাৰ্তা** কাকতৰ শিৰোনাম- মুম্বাইত ৪০০ কিলোগ্ৰাম আৰডি এক্সেৰে ৩৪ মানৱ বোমা।

**আমাৰ অসম** কাকতে নেপালত ফেচবুক, ইনষ্টাগ্ৰাম, ইউটিউব নিষিদ্ধ কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে ইউ ডাইছ প্লাছৰ তথ্যৰ ভিত্তিত প্ৰকাশ কৰা প্ৰতিবেদন অনুসৰি ২০২৪ ৰ পৰা ২০২৫ বৰ্ষত দেশত ৩ বছৰৰ পৰা ১১ বছৰ বয়সৰ শিশুৰ বিদ্যালয়ত নামভৰ্তিৰ সংখ্যা ২৫ লাখ হ্ৰাস হৈছে। এয়া **দৈনিক অসম** কাকতৰ মুখ্য বাতৰি।

দেশৰ ২৭ খন ৰাজ্যৰ ৩০২ গৰাকী মন্ত্ৰীৰ বিৰুদ্ধে অৰপাধমূলক গোচৰ আছে। ইয়াৰে বিজেপিৰ ১৩৬ জন আৰু কংগ্ৰেছৰ ৪৫ জন। **অসমীয়া খবৰ** কাকতৰ এই বাতৰিৰ শিৰোনাম- দেশৰ ৪৭ শতাংশ মন্ত্ৰীৰ বিৰুদ্ধে অপৰাধমূলক গোচৰ।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

সমাপ্ত